# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 18-45 Hrs

# Assamese Evening Bulletin
- - - - - - - - - - - - - -

১। বিকাশৰ ১২ দিন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ। নগাঁৱত মুখ্যমন্ত্ৰীৰ স্কুটি আৰু পুৰস্কাৰ বিতৰণ।

২। অহা ২৯ ডিচেম্বৰত হবলগীয়া স্নাতক আৰু স্নাতকোত্তৰ টেট পৰীক্ষাৰ ওপৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থগিতাদেশ।

৩। গুৱাহাটী মহানগৰীত কংগ্ৰেছ দলৰ পুনৰ প্ৰতিবাদী কাৰ্যসূচী। দলটোৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা আটক। কংগ্ৰেছৰ কাৰ্যই জনসাধাৰণক পণবন্দী কৰিছে বুলি মুখ্যমন্ত্ৰীৰ অভিযোগ।

৪। ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৮৩ হাজাৰ যুৱক-যুৱতীক বিভিন্ন বিভাগৰ প্ৰশিক্ষণ প্ৰদান।
*আৰু*

৫। অসম ক্ৰীড়া সাংবাদিক সন্থাৰ ১৬ বছৰ অনুৰ্ধৰ আন্তঃবিদ্যালয় - প্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাত ৰয়েল ক্ৰিকেট ক্লাবৰ ফাইনেলত প্ৰবেশ।

০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নগাওঁত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰি মেধাৱী শিক্ষাৰ্থীসকলক স্কুটি, চাইকেল আৰু নগদ ধন বিতৰণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰজ্ঞান ভাৰতীৰ ড° বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত ৩ হাজাৰ ৪৫০ গৰাকী মেধাৱী শিক্ষাৰ্থীক স্কুটি আৰু আনন্দৰাম বৰুৱা বঁটাৰ অধীনত এহেজাৰ ৮৫৬ গৰাকী শিক্ষাৰ্থীক নগদ ধন বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ১৬ হাজাৰ ৫৬০ গৰাকী শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

**ঃঃ বাইট মুখ্যমন্ত্ৰী ঃঃ**

এই বঁটা প্ৰদান অনুষ্ঠানত ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ লগতে বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, দীপুৰঞ্জন শৰ্মা আৰু শশীকান্ত দাস উপস্থিত থাকে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে নগাওঁৰ আমবাগানত অনুষ্ঠিত এখন জনসভাতো অংশগ্ৰহণ কৰে।

ইপিনে, শোণিতপুৰ জিলাত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত জলসম্পদ মন্ত্ৰী পিযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে শ্ৰীহাজৰিকাই জিলাখনৰ ৭৩৭ গৰাকী মেধাৱী শিক্ষাৰ্থীক নগদ ধন আৰু এহেজাৰ ৬৪১ গৰাকী শিক্ষাৰ্থীক স্কুটি বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক চাইকেল বিতৰণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহালে অংশগ্ৰহণ কৰে।

নলবাৰীতো আজি বিকাশৰ ১২ দিন কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আত্মসহায়ক গোটলৈ আৰ্থিক সাহায্য প্ৰদান কৰে। অসংগঠিত ক্ষুদ্ৰ খাদ্য প্ৰক্ৰিয়াকৰণ উদ্যোগসমূহক আনুষ্ঠানিকীকৰণৰ বাবে আজি অনুষ্ঠিত ১৬০ গৰাকী হিতাধিকাৰীৰ মাজত আৰ্থিক সাহায্য প্ৰদান কৰা হয়।

০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগা টেট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিছে। একাংশ প্ৰাৰ্থীয়ে দাখিল কৰা এখন লেখ আবেদনৰ শুনানি লৈ আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। শিক্ষা বিভাগে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰিছিল যদিও ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ অন্তৰ্ভুক্ত কৰে। ইয়াকে লৈ একাংশ প্ৰাৰ্থী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। প্ৰাৰ্থীসকলৰ এই আবেদনৰ ভিত্তিত ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই নিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি গুৱাহাটীত পৌৰ নিগম আৰু পৌৰসভা তথা নগৰীয়া স্থানীয় সংস্থাৰ প্ৰতিনিধিৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত নগৰীয়া সমস্যাৰ লগতে সঠিক অনাময় নিশ্চিত কৰা, বিশুদ্ধ খোৱাপানীৰ যোগান ধৰা, উপযুক্ত নিস্কাষণ ব্যৱস্থা নিৰ্মাণ কৰা সন্দৰ্ভত  বিতংভাৱে আলোচনা কৰা হয়। বৈঠকখনত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ, উপ মেয়ৰ, পৌৰসভাৰ পৌৰপতি, উপ পৌৰপতিৰ লগতে নগৰ উন্নয়ন প্ৰাধিকৰণ আৰু কাৰ্যবাহী বিষয়াসকল উপস্থিত থাকে।

০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদামত অহা ৯ জানুৱাৰীৰ পৰা হবলগীয়া চৰাইদেউ মহোৎসৱৰ লাইখুটা আজি স্থাপন কৰা হয়।  টাই আহোম ৰীতি নীতিৰে সম্পন্ন  হোৱা লাইখুটা স্থাপন অনুষ্ঠানত সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোৱঁৰৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে ৩ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চৰাইদেউ মহোৎসৱ অনুষ্ঠিত হ'ব।

০০০০

গুৱাহাটী মহানগৰীত কংগ্ৰেছ দলে ৰূপায়ণ কৰা এটা প্ৰতিবাদী কাৰ্যসূচীৰ সময়ত আজি দলৰ সভাপতি ভূপেন বৰাকে ধৰি কেইবাজনো নেতা-কৰ্মীক আৰক্ষীয়ে আটক কৰে। প্ৰয়াত কংগ্ৰেছ কৰ্মী মৃদুল ইছলামৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু তেওঁৰ মৃত্যু ন্যায়িক তদন্ত বিচাৰি কংগ্ৰেছ কৰ্মীসকলে মহানগৰীৰ হাতীগাঁও চাৰিআলিত সমবেত হৈ দিছপুৰৰ জনতাভৱনলৈ অগ্ৰসৰ হোৱাৰ চেষ্টা কৰে।  আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক প্ৰতিহত কৰে আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, দলটোৰ জ্যেষ্ঠ নেতা ৰিপুন বৰা, বিধায়ক দিগন্ত বৰ্মন আৰু জাকিৰ হুছেইন ছিকদাৰ, যুৱ নেতা ৰাতুল কলিতাকে ধৰি ভালেসংখ্যক নেতা-কৰ্মীক আটক কৰে। ইয়াৰ পাছতো একাংশ কংগ্ৰেছ কৰ্মী আৰক্ষীৰ বাধা-নিষেধ নেওচি জনতাভৱনলৈ যোৱাৰ চেষ্টা কৰে। আৰক্ষীয়ে এইসকলৰ মাজৰ পৰাও ভালে সংখ্যকক আটক কৰে আৰু বাকীসকলক আঁতৰাই পঠিয়ায়। এই বাতৰি লিখাৰ পৰলৈকে ভূপেন বৰাকে ধৰি কংগ্ৰেছ নেতাসকলক কাহিলী পাৰাৰ দশম আৰক্ষী বেটেলিয়নৰ চৌহদত ৰখা

হৈছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে তেওঁলোকৰ নেতাসকলক আটক কৰা কাৰ্যক গৰিহণা দিছে আৰু ইয়াক অগণতান্ত্ৰিক বুলি অভিযোগ কৰিছে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ দলে যোৱা দুদিনত গুৱাহাটীকে ধৰি ৰাজ্যখনৰ বিভিন্ন ঠাইত আইন-শৃংখলাজনিত পৰিস্থিতি সৃষ্টি কৰাৰ প্ৰয়াস কৰিছে বুলি অভিযোগ কৰিছে। আজি নগাঁৱত বিকাশৰ ১২ দিন কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ পাছত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, যে প্ৰদেশ কংগ্ৰেছৰ কেইজনমান নেতাৰ মাজত বৰ্তমান শ্ৰেষ্ঠত্বৰ প্ৰতিদ্বন্দিতা চলিছে আৰু ইয়াৰ মাজত গুৱাহাটীৰ জনসাধাৰণক পণবন্দী কৰা হৈছে। পথত আন্দোলন কৰাটো ৰাজনৈতিক দলৰ কাম নহয় বুলি ড° শৰ্মাই মন্তব্য কৰে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে কালি লোকসভাত কৰা আচৰণ কোনো পধ্যেই গ্ৰহণযোগ্য নহয় বুলিও তেওঁ মন্তব্য কৰে।

০০০০

গুৱাহাটীত কৰ্তব্যৰত সাংবাদিকৰ ওপৰত যোৱা বুধবাৰে আৰক্ষীয়ে চলোৱা নিৰ্যাতনৰ বিৰুদ্ধে শিৱসাগৰ জিলাখনৰ ই-মিডিয়া সংস্থাৰ সদস্যসকলে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ঐতিহাসিক শিৱদৌলৰ সন্মুখত সংস্থাটোৰ সদস্যসকলে ক'লা বেজ পৰিধান কৰি সাংবাদিকৰ নিৰাপত্তা সুনিশ্চত কৰাৰ দাবী জানায়। অসমীয়া যুৱ মঞ্চ, আটাছু, ছাত্ৰ মুক্তিকে ধৰি কেইবাটাও দল-সংগঠনৰ নেতা-কৰ্মীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

লখিমপুৰ প্ৰেছ ক্লাবৰ সদস্যসকলেও আজি সাংবাদিকৰ ওপৰত আৰক্ষীৰ বৰ্বৰতাৰ বিৰোধিতাৰে ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ৮৩ হাজাৰ যুৱক-যুৱতীক বিভিন্ন বিভাগৰ প্ৰশিক্ষণ প্ৰদান কৰি দক্ষতা বিকাশ কৰিবলৈ সমৰ্থ হোৱা বুলি বিভাগীয় মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰকাশ কৰিছে। মন্ত্ৰী শ্ৰীদাসে কয়, যে দীনদয়াল উপাধ্যায় গ্ৰামীন কৌশল যোজনাৰ জৰিয়তে ৮৩ হাজাৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশ কৰাৰ লগতে ৪৯ হাজাৰ যুৱক-যুৱতীক বিভিন্ন স্থানত কৰ্মসংস্থাপন দিবলৈ সমৰ্থ হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ এয়া উল্লেখযোগ্য সফলতা বুলি তেওঁ মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে আজি পাঞ্জাবাৰীস্থিত ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। তেওঁ বিভাগটোৰ দ্বাৰা সম্পাদন কৰা বিভিন্ন কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে দক্ষতা বিকাশৰ অন্যতম কাৰ্যসূচী দীনদয়াল উপাধ্যায় গ্ৰামীন কৌশল যোজনাৰ অগ্ৰগতিৰ বুজ লয়।

০০০০

দৰং জিলা প্ৰশাসনৰ উদ্যোগত চতুৰ্থ সংখ্যক সুশাসন সপ্তাহ কালিৰে পৰা অনুষ্ঠিত হৈছে। সু-শাসন সপ্তাহৰ লগত সংগতি ৰাখি জিলাখনৰ ছিপাঝাৰ আৰু দলগাওঁ সমজিলা আয়ুক্তৰ কাৰ্যালয় আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত অভিযোগ নিষ্পত্তিৰ বিশেষ শিবিৰ ২৪ ডিচেম্বৰলৈ অব্যাহত থাকিব।

বঙাইগাঁও জিলাৰ মানিকপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়তো সুশাসন সপ্তাহ উপলক্ষে এখন সভা অনুষ্ঠিত হয়। সভাখনত বিভিন্ন চৰকাৰী আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰোৱা হয়। জিলাখনৰ সৃজনগ্ৰাম ৰাজহ চক্ৰতো সুশাসন সপ্তাহ অনুষ্ঠিত হয়।

০০০০

স্বেচ্ছাসেৱী অনুষ্ঠান **পথিক**লৈ ভাৰতীয় ষ্টেট বেংকে আগবঢ়োৱা **মুক্তিপথ** নামৰ দুখন মৃতদেহ কঢ়িওৱা বাহন সেৱা আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। আজি দিনৰ ১১ বজাত দিছপুৰৰ লাষ্টগে'টৰ গুৱাহাটী পৌৰ নিগমৰ চৌদহত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমন্ত শংকৰদেৱ বিশ্ব বিদ্যালয়ৰ সঞ্চালক ডাঃ অমল কটকী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপ-অধিক্ষক ডাঃ উজ্বল শৰ্মা, ভাৰতীয় ষ্টেট বেংকৰ সহকাৰী মহাপ্ৰবন্ধক সুজিত দে আৰু আঞ্চলিক দন্ত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডাঃ ৰবি কটকীয়ে। অনুষ্ঠানত সহকাৰী মহাপ্ৰবন্ধক দে ই মুক্তিপথ বাহন দুখনৰ ছাবি পথিকৰ সঞ্চালক ভিক্টৰ ৰাজকুমাৰৰ হাতত আনুষ্ঠানিকভাৱে প্ৰদান কৰে। অনুষ্ঠানত উদ্যোগপতি সুশীল কুমাৰ ছাৰফ, গুৱাহাটী পৌৰ নিগমৰ কাৰ্যবাহী অভিযন্তা হিৰণ্য কুমাৰ হাজৰিকাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখযোগ্য যে, স্বেচ্ছামূলক ৰক্তদান, অংগদান, কৰ্কট সজাগতা, মানসিক স্বাস্থ্য আদি বিভিন্ন ক্ষেত্ৰত কাম কৰি অহা **পথিক** নামৰ এই স্বেচ্ছাসেৱী সংগঠনটোৱে অহা ২৬ জানুৱাৰীত ৪ বছৰ সম্পূৰ্ণ কৰিব।

০০০০

কোকৰাঝাৰৰ কেন্দ্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ তৃতীয় বাৰ্ষিক দীক্ষান্ত সমাৰোহ আজি বড়োফা সাংস্কৃতিক প্ৰকল্পত অনুষ্ঠিত হয়। এই অনুষ্ঠানত মুঠ ৪৬৪ গৰাকী স্নাতকক ডিপ্লমা প্ৰদান কৰা হয়। অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০

অহা মাহত উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত হ'বলগীয়া মহা কুম্ভমেলালৈ যাবলগীয়া উত্তৰ-পূৰ্বাঞ্চলৰ যাত্ৰীসকলৰ সুবিধাৰ্থে উত্তৰ-পূব সীমান্ত ৰে'লৱে কামাখ্যা আৰু তুণ্ড্লা জংছন আৰু নাহৰলগুণ আৰু তুণ্ড্লা জংছনৰ মাজত বিশেষ ৰে'লগাড়ী চলাচল কৰাব। কামাখ্যা আৰু নাহৰলগুণৰ পৰা তুণ্ড্লা জংছন অভিমুখী ৰে'লগাড়ী কেইখনে ৯ আৰু ২৫ জানুৱাৰী আৰু ৮ আৰু ২২ ফেব্ৰুৱাৰীত যাত্ৰা কৰিব। এই ৰে'লগাড়ী কেইখনে ১১ আৰু ২৭ জানুৱাৰী আৰু ১০ আৰু ২৪ ফেব্ৰুৱাৰীত ওভতনি যাত্ৰা কৰিব। কামাখ্যাৰ পৰা চলিবলগীয়া ৰে'লগাড়ীখনে পুৱা চাৰে ৫ বজাত যাত্ৰা কৰি তৃতীয় দিনা সন্ধিয়া সাত বাজি ২০ মিনিটত তুণ্ড্লা জংছন পাবগৈ। নাহৰলগুণৰ পৰা চলিবলগা ৰে'লগাড়ীখন দিনৰ আঢ়ৈ বজাত যাত্ৰা কৰিব আৰু তৃতীয় দিনা পুৱা চাৰে ৬ বজাত তুণ্ড্লা জংছন পাবগৈ।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০

ওদালগুৰি জিলাৰ ভেৰগাওঁ মহকুমা সদৰত নিৰ্মাণ কৰা মহকুমা আৰক্ষী বিষয়াৰ কাৰ্যালয় তথা আৱাসগৃহ আজি উদ্বোধন কৰা হয়। বড়োলেণ্ড টেৰিটৰিয়েল এলেকাৰ আৰক্ষী মহা পৰিদৰ্শক বিবেক ৰাজ সিঙে মহকুমা আৰক্ষী বিষয়াৰ কাৰ্যালয় আৰু আৱাসগৃহ  মুকলি কৰে।

০০০০

গোৱালপাৰা জিলাৰ দুধনৈত আজি দিনযোৰা কাৰ্যসূচীৰে স্বাস্থ্য আৰু পৰিপুষ্টি মেলা অনুষ্ঠিত হয়। মহিলা আৰু শিশু বিকাশৰ উদ্যোগত আৰু সংকল্প হাবৰ সহযোগত অনুষ্ঠিত এই মেলাত শিশু আৰু মহিলাৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে কিশোৰীৰ ঋতুশ্ৰাৱজনিত  স্বাস্থ্য সজাগতা অভিযান চলোৱা হয়। অভিযানৰ অংশ হিচাপে অনুষ্ঠিত সজাগতা সভাত জিলা আয়ুক্ত ফনীন্দ্ৰ কুমাৰ চৌধুৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত স্বাস্থ্যৱান শিশু আৰু কিশোৰীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

০০০০

গোলাঘাট জিলাৰ স্বেচ্ছাসেৱী সংগঠন অৰণ্যমৰ উদ্যোগত আজিৰে পৰা চিনাতলীৰ শংকৰ মাধৱ ক্ষেত্ৰত চতুৰ্থ বাৰ্ষিক সদৌ অসম ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি আজি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, তোৰণ উন্মোচন আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে প্ৰতিযোগিতামূলকভাৱে সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। প্ৰতিযোগিতাত মুঠ ৩৪ খন ভাওনা প্ৰদৰ্শন কৰা হব।

০০০০

অসম ক্ৰীড়া সাংবাদিক সন্থাই আয়োজন কৰা ১৬ বছৰ অনুৰ্ধৰ আন্তঃবিদ্যালয় - প্ৰশিক্ষণ কেন্দ্ৰ প্ৰাইজমানি ক্ৰিকেট  প্ৰতিযোগিতাত ৰয়েল ক্ৰিকেট ক্লাৱ ফাইনেলত প্ৰবেশ কৰিছে। আৰ জি বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামত আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত ৰয়েল ক্ৰিকেটে ৰিভাৰৰাইন ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক ৮২ ৰাণত পৰাস্ত কৰে। কাইলৈ হ'বলগীয়া ফাইনেলত  ৰয়েল ক্ৰিকেট চাউথ পইণ্ট স্কুলৰ মুখামুখি হ'ব।

০০০০

সদৌ অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত গুৱাহাটীত অনুষ্ঠিত উত্তৰ পূৰ মিডিয়া ক্ৰীড়া সমাৰোহৰ দবা প্ৰতিযোগিতাত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ গৌতম চক্ৰৱৰ্তীয়ে চেম্পিয়নৰ সন্মান অৰ্জন কৰে।  প্ৰতিযোগিতাখনত এন ই লাইভৰ ৰাছবীৰ হুছেইনে দ্বিতীয় আৰু দ্যা ৱায়াৰ আৰমানুৰ ৰহমানে তৃতীয় স্থান দখল কৰে।

০০০০

নগাঁও জিলাৰ বঢ়মপুৰত বিধানসভা সমষ্টি ভিত্তিত ছহীদ থগী সূত ক্ৰীড়া প্ৰকল্পত আজি ৰাজ্যৰ সৰ্ববৃহৎ ক্ৰীড়া উৎসৱ খেল মহাৰণৰ শুভাৰম্ভ হয়। এই খেল মহাৰণৰ বিভিন্ন প্ৰতিযোগিতাত বঢ়মপুৰ সমষ্টিৰ ২৯টা গাঁও পঞ্চায়তত প্ৰায় চাৰে ৩ হাজাৰ খেলুৱৈ অংশগ্ৰহণ কৰে। স্থানীয় বিধায়ক জিতু গোস্বামীয়ে উদ্বোধন কৰা এই অনুষ্ঠানত সমষ্টিটোৰ কেইবাগৰাকীও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক খেলুৱৈ উপস্থিত থাকে।

০০০০

খেল মহাৰণ দ্বিতীয় সংস্কৰণৰ বিধানসভা সমষ্টি পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ আজিৰ পৰা দৰং জিলাত অনুষ্ঠিত হৈছে। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মঙলদৈ বিধানসভা সমষ্টিৰ

প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতিৰ লগতে অন্যান্য বহু লোকৰ উপস্থিতিত এই প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰা হয়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০

সমাপ্ত